

# বন্ধু অধ্যাপক (ড°) নন্দ ৰাম দাসৰ স্মৃতিত

**ড° খনীন চন্দ্ৰ চৌধুৰী**

এমেৰিতাছ প্ৰফেছৰ, গুৱাহাটী বিশ্ববিদ্যালয়

যোৱা ৮ ফেব্ৰুৱাৰীত দেহান্ত হোৱা গুৱাহাটী বিশ্ববিদ্যালয়ৰ গণিত বিভাগৰ প্ৰাক্তন মুৰব্বী অধ্যাপক ড° নন্দ ৰাম দাসৰ লগত এটা বন্দৱস্ত কৰি ৰখা আছিল। মই আগতে যাম, এই পৃথিৱীৰ পৰা! আৰু মোৰ শৰদেহ লোৱা সাঙীখনৰ চাৰিটা মূৰৰ এটাত ধৰিব 'নন্দৰামে'। দ্বিতীয়টো মোৰ পুত্ৰই, আৰু বাকী দুটা মূৰ মোৰেই ওচৰ-চুবুৰীয়া ছাত্ৰ 'প্ৰণৱ' আৰু 'জয়ন্ত'ই। পিছে নহ'ল। দাস আগতে গ'লগৈ। এসময়ৰ আৰ্য বিদ্যাপীঠৰ গণিত বিভাগৰ এক এৰাব নোৱৰা অংশ ড° দাস আমাৰ সহপাঠী আছিল, স্নাতকোত্তৰ শ্ৰেণীত, গুৱাহাটী বিশ্ববিদ্যালয়ত (১৯৭০–৭১ চনত)। আজি দাসৰ সোঁৱৰণত তেওঁৰ সৈতে আমাৰ জীৱনটোৰ কেইটামান স্মৃতিৰ-টুকুৰা পাঠকলৈ আগ বঢ়াইছোঁ, তেওঁলৈ শ্ৰদ্ধাঞ্জলি হিচাপে।

● **১৯৭০** চনত বিশ্ববিদ্যালয়ৰ ছাত্ৰ হৈ থাকোঁতে মথনগুৰিলৈ বিভাগীয়-পিকনিক। প্ৰথম বৰ্ষৰ ছাত্ৰ আমি। বাছত আমি কুঠাৰ লৈ গৈছিলোঁ, লগত ডাঙৰ-খৰি। দাস আৰু মই কুঠাৰেৰে খৰি ফালি সৰু কৰি দিছিলোঁ চৌকাত দিবলৈ বুলি। ফাইনেল বৰ্ষত মেঘালয়ৰ উমিয়ামৰ ফালে গৈছিলোঁ। খাচী-ভাইসকলৰ বাগানে বাগানে ঘূৰি ফুৰিছিলোঁ। হাতত বাঁহৰ জোং। ওখ অমিতাৰ গছৰ পৰা একে খোঁচতে পকা অমিতা পাৰি আনি তাচ খেলি থকা অধ্যাপকৰ সমাজখনৰ দত্তচৌধুৰী-ছাৰহঁতক উপহাৰ দিছিলোঁ। 'শৰৎ-কলিতা', 'অৰবিন্দ-মিশ্ৰ' ছাৰসকলে সুধিছিল, ক'ত পালা এনে পকা-অমিতা? সগৰ্বেৰে কৈছিলোঁ, কেনেদৰে একে খোঁচতে সৰাই লৈ আহিছিলোঁ। দত্তচৌধুৰী ছাৰে কৈছিল, "চাবা! খাচীমানুহ পিছে, তীৰ চলোৱাত পাকৈত, বাগান ৰখি থকাজনে একেডাল কাঁড়তেই মূৰ নিব। সাৱধান এনে কাম নকৰিবা আৰু কেতিয়াও।" ...শিকিছিলোঁ!

● শ্ৰেণীৰ পৰা পলাইছিলোঁ, শেষৰ পিৰিয়দত। শেষৰ পিৰিয়দৰ ছাৰজনে ছাত্ৰৰ মুখৰ ফালে কেতিয়াও চোৱা নাছিল। ৰুমালেৰে ঘাম মচি অকল বোৰ্ডৰ ফালে চাই কৈ যায়, লিখি যায়। বৰ আমনি লাগে। দুয়োজন সমুখৰ বেঞ্চতে বহোঁ। ছাৰে যিহেতু আমাৰ ফালে নাচায়েই, আৰু কোন আছোঁ কোন নাই তাৰো কোনো খবৰ নাৰাখে, সেয়ে আমি পাল পাতি শ্ৰেণীৰ পৰা পলাইছিলোঁ। এদিন এজনে, আনদিন আনজনে। শেষৰ পিৰিয়দটোত লিখা নোটচখিনি পিছত কপি কৰি লৈছিলোঁ।

● মোৰ ক্লাছনোটৰ বহীৰ সমুখৰ পাতত ওপৰত লিখি ৰাখিছিলোঁ– "ত্বয়া হৃষীকেশ হৃদিস্থিতেন যথা নিযুক্তোহস্মি তথা কৰোমি"। কথাখিনিৰ অৰ্থ কি বুলি সোধোঁতে দাসক কৈছিলোঁ মাধৱ গুৰুৰ মধুৰ অসমীয়াখিনি– "হৃদি-স্থিত হুয়া তুমি যেন কৰাবাহা স্বামী হৃষীকেশ কৰিবো তেনয়"। এনেদৰে আমি গণিতৰ মাজতে শংকৰ-মাধৱ চৰ্চাও কৰিছিলোঁ।

● লাইব্ৰেৰীলৈ গৈ বহিছিলোঁ। আমি বহিছিলো কেতিয়াবা অসমীয়া বিভাগত, লৈছিলোঁ ভবানন্দ দত্তৰ 'অসমীয়া কবিতাৰ কাহিনী'। কেতিয়াবা গণিতৰ ইউজেন পি. নৰথ্ৰপৰ 'Riddles in mathematics'। দাসেও ভাগ লৈছিল সেইবোৰৰ।

● তাতেই পাইছিলো শূন্যৰ ধাৰণা কেনে কেনে ধৰণে হ'ব পাৰে। এটাত এক প্ৰাসংগিক বিন্দু হিচাপে আৰু আন এটাত এক সংখ্যা হিচাপে। তাতেই পাইছিলোঁ, **এটা বস্তুৰ উষ্ণতা –৪ ডিগ্ৰী ছেলছিয়াছ, তাৰ ১০ ডিগ্ৰী বঢ়ালে উষ্ণতা হ'বগৈ ৬ ডিগ্ৰী ছেলছিয়াছ। আনহাতে, এজন মানুহৰ জন্ম খৃঃপূঃ ৪ চনত, আৰু মানুহজনৰ বয়স ১০ বছৰ হ'ব ৬ খৃঃৰ সলনি ৭ খৃঃত হে!** আমি শিকিছিলোঁ এনেদৰে।

● ষ্টুডেণ্ট-হোমত শংকৰদেৱৰ তিথি হৈছিল। নামকীৰ্তন হৈছিল। নন্দৰাম আৰু আমি বহা-নামত ভাগ লৈছিলোঁ। পিছে নাম গোৱাৰ মাজতে বিড়ি খাই থকা বাবে আমি প্ৰতিবাদ কৰি ওলাই আহিছিলোঁ।

● তেতিয়া **১৯৭০-৭১** চন। দুবছৰৰ আগতে চন্দ্ৰত মানুহ নামিছে। বহুতে বিশ্বাস কৰা নাছিল। আমাৰে লগৰ পৰিসংখ্যা-বিজ্ঞানৰ বন্ধু দুৰ্গাচৰণ চৌধুৰীৰ খুৰাকে হেনো মানি লোৱা নাছিল ঘটনাটো। সেয়ে কৈছিল হেনো– "হে সিটু আচাল 'জনটু' নহোই এ।" বিশ্ববিদ্যালয়ৰ কেণ্টিনৰ বাৰন্দাত আড্ডা হৈছিল। আছিল নন্দৰাম, দুৰ্গাচৰণ আৰু গল্পকাৰ কুমুদ গোস্বামী (প্ৰয়াত)। এনেতে আহি পৰিছিল (প্ৰয়াত) কবি মোহন কৃষ্ণ মিশ্ৰ। কাহিনীটো শুনি মন্তব্য দিছিল– "হে বাদ দিয়ক হেৰি সিবিলাক ধুতী পিন্ধিলে কেঞ্চাৰ হোৱাৰ দৰে কথাহে। বলক, যাওঁ বলক।" কথা শুনি তীখৰ কুমুদ গোস্বামীয়ে কৈ উঠিছিল, "দেখিলে ৰাইজ! আমাৰ ইমান সময়ৰ কথা-কাণ্ডখিনিৰ ক্ৰেডিটখিনি লৈ গ'ল মোহন মিশ্ৰইহে!" এই কাণ্ডত ওচৰত আছিল পৰৱৰ্তী কালৰ ভাটনাগৰ বঁটা প্ৰাপক ভূপেন গোস্বামীও।

● তেতিয়া পণ্ডিত (শ্ৰদ্ধাৰ) ৰজনীকান্ত দেৱশৰ্মা আছিল, বোধকৰো অসমীয়া বিভাগতে। আমাৰ 'নৱাগত আদৰণি সভা', গণিত বিভাগৰ। নন্দ ৰাম দাস আৰু আমি আগ-ভাগ লৈছিলোঁ। সভাখনত নতুন কিবা কৰাৰ মন হৈছিল। বিভাগৰ বৰ্তমানৰ শিক্ষক 'কমন ৰুম'ত। এটা নতুন পৰম্পৰাক ঠাই দিব খুজি শৰ্মা ছাৰৰ অনুমোদন ল'বলৈ গৈছিলোঁ। আৰম্ভণী হ'ব 'অ' মোৰ আপোনাৰ দেশ'-ৰে আৰু সামৰণি 'জন গণ মন'-ৰে। অনুমোদন পাইছিলোঁ। নতুন এক পৰম্পৰাক ঠাই দিছিলোঁ।

● **১৯৮৬** চনৰ ৮ জানুৱাৰীত মই আৰু **১০** জানুৱাৰীত দাসে যোগ দিছিলো/দিছিল গুৱাহাটী বিশ্ববিদ্যালয়ত। লগতে আছিল ৰীতা চৌধুৰী আৰু অধ্যাপক হিচাপে বুদ্ধ চেতিয়া ছাৰ। কামত যোগ দিয়েই আমি দুজনে মুৰব্বী অধ্যাপক ৰাজেন সিঙৰ পৰা ফৰমাইচ পাইছিলোঁ এক্সট্ৰা শ্ৰেণী লোৱাৰ। **তাৰ বাবে উপৰুৱা বানচ পাম বুলি কৈছিল, যদিও আমি ব্যক্তিগতভাৱে সেইখিনি লোৱা নাছিলোঁ। আমাৰ ভাগৰ পইছাখিনি 'বুদ্ধ চেতিয়া ছাৰ'ৰ উপদেশ মৰ্মে 'অসম গণিত শিক্ষায়তন'ত দি দিছিলোঁ, এটা বঁটা হিচাপে বছৰি। সেইটো আজিও বোধকৰো চলি আছে, 'দশম শ্ৰেণীৰ অলিম্পিয়াদত প্ৰথম হোৱা' জনলৈ বুলি।**

**‘অসম গণিত শিক্ষায়তন’লৈ নন্দ ৰাম দাস দেৰিকৈ আহিছিল। প্ৰায় দহ বছৰ পাছত। দহবছৰীয়া উৎসৱ পাৰ হৈ যোৱাৰ পাছত আহিছিল, আৰু আহি গোটেই কাঠামোটোকে সলাই দিছিল। শিক্ষা-বিষয় বাদ দি প্ৰশাসনিক কামত দাস সিদ্ধহস্ত আছিল আমাতকৈ। প্ৰশাসনিক কামত নন্দৰামে হোমৱৰ্ক কৰি আহিছিল, পূৰা প্ৰস্তুতিৰে মন-প্ৰাণ দি, আৰু সেয়ে অতি সাহসেৰে প্ৰত্যাহ্বান ল’ব পাৰিছিল, আমাতকৈ অধিক মনোবলেৰে!**

• ১৯৮৯ চনৰ কথা, গুৱাহাটীৰ বানপানীৰ কথা। ৰাজগড়ৰ অঞ্চলটো পানীৰ তলত। ভৰলুৰ দলঙৰ ওপৰেৰে পানী। আমাৰ অসম-আৰ্হি ঘৰ পানীৰ তলত। ঘৰৰ ভিতৰত কঁকাললৈকে পানী। পৰিয়াল লৈ গুছি গৈছিলোঁ, নন্দ ৰাম দাসৰ হাতীগাঁৱৰ শেৱালি-পথলৈ। ৰাজসুখত আছিলোঁ তাত কেইদিনমান। আমাৰ ‘কুণাল-মৈত্ৰেয়ী’ৰ সমনীয়া দাসৰ ল’ৰা-ছোৱালী হাল ‘কৌশিক-অৰ্পিতা’ আমাৰ নিজৰ সন্তানৰ দৰেই। অৰ্পিতা-মৈত্ৰেয়ীয়ে দামোদৰ বড়াদেৱৰ সুৰশ্ৰী-সংগীত বিদ্যালয়ত শাস্ত্ৰীয় সংগীত শিকিছিল, নিপুণ পৰ্যন্ত। কৌশিকহঁতক ইংৰাজী ক্লাছিক-বুকৰ শিশু-সংস্কৰণ দিছিলোঁ, ‘Around the world in eighty days’, ‘Journey to the centre of the earth’, ‘The invisible man’, ‘A basket of flowers’, ‘Tales from Shakespeare’, ‘The adventures of Tom Sawyer’, ‘Jekyll and Hyde’, Jean Valjean, Mark Twain, Huckleberry Finn, আদিকে লৈ।

**• নন্দৰামে ‘অসম গণিত শিক্ষায়তন’ৰ দায়িত্বত কেইবাবছৰো থাকি এটা মাত্ৰা দিছিল। বিশেষকৈ মেথলেটিক্স, অলিম্পিয়াদ আদিৰ ট্ৰেইনিং-প্ৰগ্ৰেমত।**

• প্ৰাগজ্যোতিষ মহাবিদ্যালয়ত আমাৰ লগতে, আৰ্য বিদ্যাপীঠত দেবানন্দ শইকীয়া, নন্দ ৰাম দাস, আৰু কটন মহাবিদ্যালয়ত বিশ্বজিৎ ভাগৱতী, তৰুণ চিৰকাৰ – এটা গম নোপোৱা আকৰ্ষণ আছিল এইকেইজনৰ মাজত। আমি দেওবাৰে ক্লাছ লৈছিলোঁ, খ্ৰীষ্টমাছ-বন্ধত ক্লাছ লৈছিলোঁ, গৰম-বন্ধত ক্লাছ লৈছিলোঁ। ক্লাছ আৰম্ভ হোৱাৰ আগতে এঘণ্টামান স্পেচিয়েল-ক্লাছ লৈছিলোঁ। ছুটী হোৱাৰ পাছতো আছিলো বহু দেৰীলৈকে। গম পাইছিলোঁ, কটন মহাবিদ্যালয়ৰ পৰাও আমাৰ ক্লাছলৈ ছাত্ৰ আহি পিছফালে বহি আছিল। তেনে ঘটিছিল নন্দৰামৰ ক্লাছ, দেবানন্দ শইকীয়াৰ ক্লাছতো। আমি শিক্ষকতা-জীৱন উপভোগ কৰিছিলোঁ, যেনেদৰে কৰিছিল ‘শিৱঘোষ ছাৰে’, ‘ৰজনী চক্ৰৱৰ্তী ছাৰে’, ...।

• আমাৰ খোৱা-লোৱাৰ ধৰণ আছিল অতি গাঁৱলীয়া তথা ঘৰুৱা। মানে খোলাচাপৰি-পিঠা আৰু টেকেলী-পিঠাহে। বিভাগত খানা চলিছিল খুব। মোৰ গৃহিনীয়ে ভঙাগড়ৰ পৰা লৈ গৈছিল, ‘পচলাৰে ৰন্ধা পঠাৰ মাংসৰ ব্যঞ্জন’ আৰু কেতিয়াবা ‘বুট দাইলৰে মূৰ্গীৰ ব্যঞ্জন’, কেতিয়াবা ‘পায়স’ বা ‘নাৰিকল দিয়া টেকেলী পিঠা’। হ’লেও নন্দৰাম দাসৰ পৰাহে গম পাইছিলোঁ যে ‘খানাৰ প্ৰধান খাদ্য খোৱাৰ পূৰ্বে চুপ খায়’। আমি শিকিছিলোঁ।

• আজিও মনত আছে কেনেদৰে আমাৰ ‘Goldie module’, ‘Goldie near-ring’ সম্পৰ্কীয় গৱেষণা-পত্ৰ ‘Indian Journal of Pure and Applied Mathematics’ত আৰু ‘Goldie $M$-groups’ শীৰ্ষক গৱেষণা-পত্ৰ ‘Journal of the Australian Mathematical Society’ত গৃহীত হওঁতে পাৰ্টি দিছিলোঁ। আমি নন্দৰামৰ সৈতে গৱেষণাও ভগাই সুখ লৈছিলোঁ, বিষয় ভিন্ন হোৱা সত্বেও।

নন্দ ৰাম দাস মূলতঃ আছিল এটা ব্যৱসায়ী পৰিয়ালৰ পৰা অহা শ্ৰম ভাল পোৱা ব্যক্তি। সেই শ্ৰম শাৰীৰিকেই হওক অথবা মানসিকেই হওক। আৰু আছিল তাতেই তেওঁৰ গৌৰৱখিনি। আৰু সেই কাৰণতেই আমাৰ শ্ৰদ্ধাৰ পাত্ৰ হৈছিল। ছাত্ৰৰ বাবে নিঃস্বাৰ্থ ভাৱেৰে খটা এজন শিক্ষক। ছাত্ৰৰ প্ৰিয় সেয়ে।

• আমাৰ খং আছিল বহুত, বিপৰীতে নন্দৰামৰ ‘খঙৰ নোটবুক’ৰ পাতত ‘এডাল-আঁচো’ কেতিয়াও পৰা নাছিল। পৰিস্কাৰ আছিল সেইখন নোটবুক। খং-লিপিবদ্ধ কৰিবলৈ ৰখা সেই নোট-বুকখন আছিল ফটফটীয়া, একো নিলিখা পাতেৰে ভৰা। আৰু সেয়ে অলপ আৱেগিকো আছিল, চকুপানীও ওলাইছিল কেতিয়াবা।

• তেতিয়া অৰবিন্দ মিশ্ৰ ছাৰে খালি চকুৰে নেদেখে, পৰীক্ষাৰ ইনভিজিলেছনত তেওঁ আছে মোৰ সৈতে। মই ঘূৰি-পকি আছোঁ। ছাৰৰ অৱস্থাৰ কথা পাহৰি স্বাভাৱিক হিচাপেই আছোঁ। ৰাস্তাৰ ফালৰ খিৰিকীৰ কাষত এজন ছাত্ৰই ‘চুৰ কৰি’ আছে। চকুৰে

দেখা নোপোৱা মিশ্ৰছাৰ কাষতে থিয় হৈ আছে যদিও গম পোৱা নাই। হঠাতে মই ধৰা পেলালো সমস্ত ঘটনা। মোৰ উঠি গ'ল খং। নন্দৰাম আহি ছাৰক আঁতৰাই লৈ গ'ল– আঘাত পাব বুলি। অতি সূক্ষ্ম অনুভূতি-প্ৰৱণ আছিল নন্দৰাম।

● 'অসম গণিত শিক্ষায়তন'লৈ নন্দ ৰাম দাস দেৰিকৈ আহিছিল। প্ৰায় দহ বছৰ পাছত। দহবছৰীয়া উৎসৱ পাৰ হৈ যোৱাৰ পাছত আহিছিল, আৰু আহি গোটেই কাঠামোটোকে সলাই দিছিল। শিক্ষা-বিষয় বাদ দি প্ৰশাসনিক কামত দাস সিদ্ধহস্ত আছিল আমাতকৈ। প্ৰশাসনিক কামত নন্দৰামে হোমৱৰ্ক কৰি আহিছিল, পূৰা প্ৰস্তুতিৰে মন-প্ৰাণ দি, আৰু সেয়ে অতি সাহসেৰে প্ৰত্যাহ্বান ল'ব পাৰিছিল, আমাতকৈ অধিক মনোবলেৰে!

● আচলতে আমি, মানে মই কোনো ব্যক্তি ঢুকালে 'গ'লগৈ' বা 'গুছি গ'ল' আদি শব্দ প্ৰয়োগ নকৰোঁ। 'আত্মাই শান্তি পাওক' আদি ধৰণৰ বাক্যও নকওঁ। অৱশ্যে এইবোৰ 'নিজা নিজা কথা'। ইছলামত কোৱাৰ দৰে আমাৰো ক'বলগাখিনি হৈছে: "ইন্না লিল্লাহি ওয়া ইন্না ইলাইহি ৰাজিউন" – "যোৱা, ময়ো গৈ আছো যোৱা"।









